ডাঃ সৰ্ব্বপল্লী

-ৰাধাকৃষ্ণণ-

(চমু জীৱনী)

Date

শ্ৰীএকেশ্বৰ বৰুৱা ।
পোঃ আঃ কমাৰকুছি ।
— কমাৰকুছি ।

16 JUN 1964

ডাঃ সর্ব্বপল্লী

-ৰাধাকৃষ্ণণ-

(চমু জীৱনী)

HEM BARUA LIBRARY
No. A 2068
Date..............
TOWN HALL, TEZPUR

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

প্ৰথম তাঙৰণ ।

GOVERNMENT OF ASSAM
Call No..............
DISTRICT LIBRARY.

শ্ৰীএকেশ্বৰ বৰুৱা ।
পোঃ আঃ কমাৰকুছি ।
সাং— কমাৰকুছি ।

সৰ্ব্বস্বত্ব লিখকৰ ।

আগ-কথা ।

ভাৰতৰ শ্ৰেষ্ঠ দাৰ্শনিক, ৰাজনীতিজ্ঞ ডাঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণৰ জীৱন চৰিত এই ক্ষুদ্ৰ পুথিখনিত বহলাই বৰ্ণনা কৰা সম্ভৱ নহয় ।

যাহউক এখন সৰু ইংৰাজী কিতাপ 'The Indian Review' 'Hindusthan Standard' The Assam Tribune আদিৰ পৰা সমল গোটাই যি পাৰিছোঁ এই পুথিখনিত সন্নিবিষ্ট কৰিছোঁ ।

আশাকৰো পাঠক সকলে এই পুথিখনি পঢ়ি ৰাধাকৃষ্ণণৰ বিষয় এটা চমু আভাস পাব । হাতেলিখা অৱস্থাত পুথিখনি বন্ধু হেমন্ত কুমাৰ আৰু অধ্যাপক শ্ৰীযুত প্ৰবোধ চন্দ্ৰ গোস্বামীদেৱে এবাৰ চাই-চিত দিছিল আৰু গোস্বামীদেৱে কিতাপখন ভাল হোৱা বুলি কোৱাত ছপাবলৈ সাহস পাইছো ।

লিখকৰ সাহিত্য চৰ্চ্চাৰ এই প্ৰথম প্ৰয়াস হিচাপে লিখক কিমান দূৰ কৃতকাৰ্য্য হৈছে— সি পাঠকৰ বিচাৰ্য্য ।

পুথিখনিৰ নিজে প্ৰুফ চাই দিব নোৱাৰাত ঠায়ে ঠায়ে ভালেমান অবাঞ্ছনীয় হিচাপে বানান ভুল বৈ গ'ল আৰু দুই এটি বাক্যত কৰবাত বিশেষণৰ ঠাইত বিশেষ্য পদ ছপা হৈ গৈ ভাষাৰ সৌন্দৰ্য্য নষ্ট কৰিছে । আশাকৰো পাঠক সকলে সেইটো নিজেই বুজি লব ।

ৰাধাকৃষ্ণণৰ জীৱন চৰিত সকলোলোকে জনা উচিত বিশেষকৈ আমাৰ উঠি অহা ডেকা ছাত্ৰসকলে ।

পুথিখনিয়ে পঢ়ুৱৈ সমাজৰ পৰা সমাদৰ পালে লিখক কৃতাৰ্থ হব । ইতি—

—একেশ্বৰ বৰুৱা—
নলবাৰী ।

৮।৩।৫৩

PLEASE HANDLE THE BOOK CAREFULLY.

ডাঃ সৰ্ব্বপল্লী

ৰাধাকৃষ্ণণ ।

(চমু জীৱনী)

ডাঃ ৰাধাকৃষ্ণণ Kremlin ত থাকোতে মাৰ্শাল ষ্টেলিনে তেওঁৰ লগত দেখা হবলৈ ইচ্ছা প্ৰকাশ কৰি এই বুলি কৈছিল— "২৪ ঘণ্টা কালেই অধ্যয়ণত তন্ময় হৈ থকা অধ্যাপক জনক মই সাক্ষাৎ কৰিবলৈ ইচ্ছা কৰো" বিখ্যাত দাৰ্শনিক ৰাজনীতিজ্ঞ ৰাধাকৃষ্ণণ আঢ়ৈ বছৰ কাল ৰাষ্ট্ৰ-দূতৰ পদত থাকি সোভিয়েট ৰুছিয়াৰ মস্কো চৰকাৰী মহলত নিজৰ কাৰ্য্য-দক্ষতা আৰু অসাধৰণ ব্যক্তিত্বৰ গুণত এটা নতুন আৱহাওৱাৰ সৃষ্টি কৰি সোভিয়েট বাসীৰ মাজত এটা সৌহাৰ্দ্যৰ ভাব ঘটাই ভাৰতলৈ উলটি আহি বিনা প্ৰতিদণ্ডিতাই স্বাধীন ভাৰতৰ উপৰাষ্ট্ৰপতিৰ আসনখন অধিকাৰ কৰিছে আৰু কাউন্সিল অব্ ষ্টেটচৰ সভাপতিৰ পদলৈ নিৰ্ব্বাচিত হৈছে। উক্ত দুয়োটা পদবীৰ কাৰণে ৰাধাকৃষ্ণণ উপযুক্ত । ৰাধাকৃষ্ণণৰ আগৰ ৰাষ্ট্ৰ-দূত শ্ৰীযুতা বিজয়লক্ষ্মী পণ্ডিতৰ ভাগ্যটো কোনো

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR

দিনে ষ্টেলিনৰ লগত দেখা হোৱাৰ সুযোগ ঘটা নাছিল। এওঁৱেই এসময়ত ইউনিভাৰ্সিটি কমিচনৰ চেয়্যাৰম্যান হৈ ছিল। একেজনালোকেই বিভিন্ন উচ্চপদত অধিষ্ঠ হৈ আহি সুকলমে কাম চলাই আহিছে। এনে এজন সৰ্ব্বগুণ সম্পন্ন লোকৰ জীৱনী প্ৰত্যেকে জনা উচিত। দুখীয়া পৰিয়ালত ওপজিও নিজৰ একাগ্ৰতা আৰু অসীম অধ্যৱসায়ৰ বলত দোপৰ-দোপে উন্নতি কৰি গৈ স্বাধীন ৰাষ্ট্ৰ এখনৰ অতি উচ্চ আৰু সম্মানীত পদত অধিষ্ঠ হব পৰাটো কম কথা নহয়।

বাল্যকাল আৰু শিক্ষা।

মাদ্ৰাজ চহৰৰ প্ৰায় ৪০ মাইল উত্তৰ পশ্চিমে অৱস্থিত হিন্দুৰ পৱিত্ৰ তীৰ্থস্থান তিৰুতান নামে এখন ক্ষুদ্ৰ গাওঁত ১৮৮৮ চনত ভাৰতৰ শ্ৰেষ্ঠ দাৰ্শনিক পণ্ডিত সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতাক আছিল এজন মধ্যবিত্ত শ্ৰেণীৰ লোক আৰু তেওঁ মাক-বাপেকৰ দ্বিতীয় সন্তান। তেওঁলোক জাতত বামুণ আৰু বৰ ধৰ্ম্ম পৰায়ণ লোক আছিল। ধৰ্ম্ম-গ্ৰন্থাদি অধ্যয়ন কৰা তেওঁলোকৰ প্ৰধান কাম আছিল। ৰাধাকৃষ্ণণৰ পিতাকে জমিদাৰৰ তলত সাধাৰণ তহচিলদাৰৰ কাম কৰিছিল। ৰাধাকৃষ্ণণৰ

পিতাক তেনে ধনী-মানী নাইবা কোনো বিখ্যাত লোক নাছিল। সেই কাৰণে তেওঁ নিজৰ জীৱন গঢ়ি তোলাত তেওঁৰ পিতৃপিতামহৰ পৰা উত্তৰাধীকাৰী সূত্রে কোনো সম্পত্তি আৰু সুবিধা পোৱা নাছিল। নিজেই অশেষ যত্ন কৰি নিজৰ পথ বিচাৰি উলিয়াব লগাত পৰিছিল। কিন্তু শেষত সেয়ে তেওঁৰ পক্ষে মঙ্গলৰ কথা হয়। জীৱনৰ প্রথম বাৰ বছৰ কাল তেওঁ তিৰুতান আৰু তিৰুপতি এই দুখন গাওঁৰ মাজত কটায়। এই দুয়োখন ঠাই হিন্দু-ধর্মৰ পবিত্র তীর্থ-ভূমি। তালৈ গোটেই ভাৰতৰ হিন্দু নৰ-নাৰী সকলে তীর্থ দর্শন হবলৈ আহে। দর্শনকাৰী সকলৰ মনত দুয়োখন ঠায়ে পবিত্র পূণ্যভূমি। তেওঁলোকৰ মনত ধাৰণা এই যে সেই ঠাইত যি লোকে ভৰি দিয়ে সেয়ে সংসাৰিক আহুকালৰ পৰা হাত সাৰি নির্বান লাভ কৰিব পাৰে। দুয়োখন ঠাইতে চালে চকুৰোৱা মঠ-মন্দিৰ আছে আৰু সেই ঠাইৰ প্রাকৃতিক মনোমোহা দৃশ্যই বর্ত্তমান যুগৰ হিন্দুদর্শনকাৰী সকলৰ ওপৰত বৰকৈয়ে প্রভাৱ পেলাইছে।

সৰুকালৰ স্বভাব।

নিচেই সৰুকালতে ৰাধাকৃষ্ণণে অকলশৰীয়া ভাবে থাকি ভাল পাইছিল। তেওঁ আনবৰ পৰা ল'ৰা-ছোৱালীবোৰে খেলা কৰা চাই বং পাইছিল কিন্তু নিজে কেতিয়াও খেলা নকৰিছিল। বয়সৰ লগে লগে তেওঁৰ পঠণ-প্ৰিয়তা বাঢ়ি গ'ল আৰু আগতকৈও সঙ্গীহীন হিচাবে থকা ভাবটো বেছি প্ৰবল হৈ উঠিল। পঢ়ি উঠি কি—পঢ়িলে তাকে মনত সদায় ভৰা অভ্যাস তেওঁৰ আছিল। তেওঁ নিজৰ সমনীয়া বন্ধুকেইজনৰ বাহিৰে আনৰ লগত কথা বতৰা পতা বা ফুৰা চকা কৰাত বৰ লাজ পাইছিল।

আঠ বছৰ কাল তেওঁ খৃষ্টিয়ান মিছন্ স্কুলত শিক্ষা লাভ কৰে। তাৰ পাছত মাদ্ৰাজ খৃষ্টিয়ান কলেজত চাৰি বছৰ অধ্যয়ন কৰে। কলেজত প্ৰৱেশ কৰাৰ দিন ধৰি তেওঁ বিশেষ বুদ্ধিৰ পৰিচয় দিছিল। তেওঁ কৃতিত্বৰে ১৯০৩ চনত মাদ্ৰাজ বিশ্ব-বিদ্যালয়ৰ পৰা এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰে আৰু দুবছৰ পাছত এফ্.এ পৰীক্ষাত ভাল দৰে উত্তীৰ্ণ হয়। বি, এ আৰু এম্.এ পৰীক্ষাতো প্ৰথম স্থান অধিকাৰ কৰি পাছ কৰে। তেওঁৰ শিক্ষক সকলে তেওঁৰ ওপৰত ভৱিষ্যতে

বৰ উচ্চ আশা পোষণ কৰিছিল আৰু তাৰ পৰা নিৰাশো হোৱা নাছিল। তেওঁৰ স্কুল কলেজৰ শিক্ষাও সুফল ঘটিছিল। সৰুৰে পৰা তেওঁ ধৰ্ম্মানুষ্ঠান বোৰৰ মাজতে থাকি ডাঙৰ দীঘল হৈ আছি হিন্দু-ধৰ্ম্মৰ প্ৰতি তেওঁৰ এটা প্ৰবল অনুৰাগ জন্মিছিল আৰু কলেজৰ দৰ্শন অধ্যয়ন কৰি ধৰ্ম্মানুৰাগ আৰু এখোপ বাঢ়িছিল। তেওঁৰ হিন্দু-ধৰ্ম্মৰ প্ৰতি অটল বিশ্বাস আছিল আৰু হিন্দু-ধৰ্ম্মকে পৰম ধৰ্ম্ম বুলি ধৰি লৈছিল আৰু কলেজত থাকোতে স্বামী বিবেকানন্দৰ গ্ৰন্থ বোৰ অধ্যয়ন কৰি তেওঁৰ ধৰ্ম্ম-প্ৰিয়তা গুণটো বঢ়োৱাইছিল। শেষত গৈ তেওঁ স্বামী বিবেকানন্দৰ ধৰ্ম্ম সম্বন্ধীয় গ্ৰন্থবোৰ অধ্যয়ন কৰি তাৰ দ্বাৰা বৰকৈ প্ৰভাবান্বিত হ'ল। ৰাধাকৃষ্ণণৰ নিচিনা বুদ্ধিমান লোক এজনে খৃষ্ট আৰু হিন্দু-ধৰ্ম্ম দুয়োকো সমানে বিশ্বাস কৰাটো টান পাইছিল আৰু অৱশেষত গৈ হিন্দুধৰ্ম্মকে গ্ৰহণ কৰা ঠিক বুলি ভাবিছিল। হিন্দুধৰ্ম্মই প্ৰকৃত সত্যবাদী হবলৈ শিকায়। মানুহৰ জীৱন তেনেই চুটি আৰু ইমান কণ্টেকীয়া জীৱনত অলপ ভাল কাম কৰি যোৱাটো উচিত। মহৎ কামৰ মাজেৰে মানুহৰ জীৱনত সুখ-শান্তি লাভ ক'ৰিব পাৰি। ৰাধাকৃষ্ণণ নিজে দেখি আহিছে যে অতি দুখীয়া হিন্দু তিৰোতা এগৰাকীয়েও ধৰ্ম্মপৰায়ণতাৰ কাৰণে নিজৰ জীৱন মহৎ আৰু অন্তঃকৰণখন দয়াশীল ক'ৰিব পাৰিছে। শেষত তেওঁ ইয়াকে কবলৈ গৈছে যে, প্ৰত্যেক হিন্দু নৰনাৰী ধাৰ্ম্মিক, অহিংসাবাদী আৰু দুখীয়াৰ প্ৰতি

মৰমিয়াল। তেওঁ অকল নিজ ধৰ্ম্মকে খামোচ মাৰি ধৰি থকা নাছিল, তেওঁ অন্যান্য ডাঙৰ ধৰ্ম্মবোৰকো যথাবিহিত সন্মান কৰিছিল আৰু আটাইকেইটি ধৰ্ম্মৰে গ্ৰন্থবোৰ অধ্যয়ন কৰি তাৰ দোষ-গুণ বোৰ বাহিৰ কৰি উলিয়াই তেওঁৰ এম্ এ উপাধীৰ কাৰণে Ethics of the Vedanta নাম দি এখন দীঘল ৰচনা লিখে। বেদান্তৰ মূল মন্ত্ৰ হ'ল লোকক মহৎ হবলৈ আৰু মহৎভাবে কাজ কৰিবলৈ শিক্ষা দিয়া।

ৰাধাকৃষ্ণণে কম বয়সতে বিয়া কৰাইছিল। কম বয়সত বিয়া কৰোৱা স্বাস্থ্যৰ পক্ষে হিতকৰ নহয় যদিও সকলোৰে পক্ষে অহিতকাৰীও নহয়। হিন্দুনাৰী সদায় কৰ্ত্তব্য পৰায়ণী আৰু পতিব্ৰতা। ৰাধাকৃষ্ণণৰ ঘৈণীয়েকো ঠিক তেনেকুৱা সতী সাধ্বী তিৰোতা আৰু তেওঁ ৰাধাকৃষ্ণণৰ জীৱন সুখময় কৰি তুলিছে।

অধ্যাপক আৰু লিখক।

ৰাধাকৃষ্ণণে কলেজৰ শিক্ষা সাং কৰি আহি মাদ্ৰাজৰ প্ৰেসিডেন্সি কলেজত দৰ্শনশাস্ত্ৰৰ সহকাৰী অধ্যাপকৰ পদ গ্ৰহণ কৰে। দৰ্শন নীৰস বিষয় হলেও ৰাধাকৃষ্ণণে কিন্তু ছাত্ৰ সকলৰ মনত বিশেষ এটা আমোদ লগা বিষয় কৰি তুলিলে। তাৰ কাৰণ হ'ল দুটা। প্ৰথমে ছাত্ৰ সকলক বুজাব

পৰা শক্তি আছিল, আৰু দ্বিতীয়তে তেওঁৰ ইংৰাজী ভাষাৰ সুন্দৰ জ্ঞান আছিল। ইংৰাজীত তেওঁ সৰ্‌সৰ্‌কৈ বক্তৃতা দি ছাত্ৰ সকলৰ মন আকৰ্ষণ কৰিব পাৰিছিল। সংচৰাচৰ তেওঁ কথিত ভাষাত ইংৰাজী নকৈছিল; কিন্তু ডাঙৰ ডাঙৰ ধৰ্ম্মপুথি বোৰৰ পৰা ডাঙৰ ভাববোৰ ইংৰাজী ভাষাৰে প্ৰকাশ কৰিছিল। পাচত গৈ তেওঁ শিক্ষক হিচাবে যথেষ্ট কৃতীত্ব অৰ্জ্জন কৰিলে আৰু ছাত্ৰ সকলৰো বৰ প্ৰিয়পাত্ৰ হৈ উঠিল। লাহে লাহে তেওঁৰ শিক্ষা বিভাগত সন্মান বাঢ়িল। ৰাধাকৃষ্ণণে কেৱল ল'ৰা শিকোৱাতে আবদ্ধ হৈ থকা নাছিল। তেওঁ ঘৰত যথেষ্ট অধ্যয়ণ কৰিছিল আৰু নানা প্ৰবন্ধ আৰু গ্ৰন্থ লিখিছিল। তেওঁ দৰ্শন আৰু ধৰ্ম্ম সম্বন্ধে য়ুৰোপৰ বিখ্যাত কাকতবোৰলৈ প্ৰবন্ধ পঠাইছিল আৰু তাৰ দ্বাৰা তেওঁৰ যশ চাৰিওফালে বিয়পি পৰিছিল। প্ৰবন্ধ গ্ৰন্থ আদি লিখি নিজৰ সুখ্যাতি বঢ়োৱাই তেওঁৰ ইচ্ছা নাছিল কিন্তু তেওঁৰ একমাত্ৰ ইচ্ছা আছিল হিন্দু ধৰ্ম্মৰ মূল মন্ত্ৰবোৰ আন দেশৰ মানুহৰ মাজত প্ৰচাৰ কৰাহে। তেওঁ ইয়াকে বুজিছিল যে, হিন্দুধৰ্ম্মই মানুহক প্ৰকৃত নিস্বাৰ্থ কৰি তোলে আৰু মনক পবিত্ৰ কৰি ৰাখে। যেয়ে এই ধৰ্ম্ম গ্ৰহণ কৰে সেয়ে প্ৰকৃত মহৎলোক হব পাৰে। এখন মিটিঙত তেওঁক কিছুমানে সন্ন্যাসী বুলি আখ্যা দিয়াত প্ৰত্যুত্তৰত তেওঁ সেইটো একেবাৰে অস্বীকাৰ কৰিছিল আৰু কৈছিল "মোৰ অন্তৰত বৈৰাগ্যৰ ভাব কেতিয়াও জন্মা নাই, আন মানুহৰ দৰে মোৰো ভালপোৱা

ভাব, বন্ধুত্ব নিজ আত্মীয় স্বজনৰ প্ৰতি মৰম আদি সকলো আছে, মই কেতিয়াও সন্যাসী হব নোখোজোঁ। মই সাংসাৰিক মানুহ হিচাপেই থাকিবলৈ ইচ্ছা কৰো। মনুষ্যত্বই হিন্দুধৰ্ম্মৰ মূল বুলি তেওঁ ভাবে। সেই ধৰ্ম্মত সন্যাস ভাব নাই। বিশ্বকবি ৰবীন্দ্ৰ নাথৰ গ্ৰন্থাৱলীবোৰ তেওঁ মন পুতি পঢ়িছিল। তেওঁৰ ভাবধাৰাৰ লগত এওঁৰ ধৰ্ম্মৰ মিল দেখা গৈছিল। আৰু ৰবি ঠাকুৰৰ দৰ্শনবাদ অধ্যয়ন কৰি তেওঁ এখন গ্ৰন্থ লিখিছিল। কবিগুৰুয়ে কিতাপখনি বৰ ভাল পাই ৰাধাকৃষ্ণণলৈ লিখিছিল। "আপুনি খুবভাল লিখিছে, এই গ্ৰন্থ খনিত আপোনাৰ তীক্ষ্ণ বুদ্ধিৰ পৰিচয় ফুটি ওলাইছে আৰু আপোনাৰ ভাষাৰ মাধুৰ্য্য সচাকৈয়ে শলাগিব লগীয়া" তেওঁ যে এজন উচ্চশ্ৰেণীৰ লিখক তাৰ সুন্দৰ পৰিচয় এই গ্ৰন্থখনে দিছে।

ৰাধাকৃষ্ণণৰ এই সুখ্যাতি মাদ্ৰাজৰ বাহিৰতো বিয়পি পৰিছিল। মহীশুৰত বিশ্ববিদ্যালয় খোলাত ৰাধাকৃষ্ণণক মহীশুৰ গবৰ্ণমেণ্টে দৰ্শনৰ অধ্যাপকৰ কাম যাচি দিছিল। ৰাধাকৃষ্ণণে তাত তিনি বছৰ কাম কৰিছিল আৰু তাৰ লগে তেওঁ দৰ্শনৰ বিষয় লিখিবলৈ আৰম্ভ কৰিছিল। তেওঁ বৰ্ত্তমান যুগৰ বিখ্যাত দাৰ্শনিক সকলৰ কেনে ধাৰণা তাকে ভালদৰে অধ্যয়ন কৰি তেওঁ "The Rega of Religion in contemporary Philosophy" নামে এখন গ্ৰন্থ লিখিছিল। সেই গ্ৰন্থখনি পঢ়ি

সকলোৱে তেওঁক প্ৰশংসা কৰিছিল। এজন আমেৰিকাৰ অধ্যাপকে গ্ৰন্থখনি পঢ়ি খুব ভাল পাইছিল আৰু আমেৰিকাৰ দাৰ্শনিক সংঘৰ সভাপতিৰ অভিভাষনত তেওঁক আদৰ্শবাদী প্ৰতিনিধি উপাধি দি সন্মানিত কৰিছিল। তেওঁৰ গ্ৰন্থখন গোটেই পৃথিবীৰ বিশ্ববিদ্যালয়বোৰৰ দৰ্শনৰ ছাত্ৰসকলে পঢ়িছিল। মহীশুৰত থাকোতে মাদ্ৰাজ গবৰ্ণমেণ্টে তেওঁক আটাইতকৈ উচ্চ পদত নিয়োগ কৰি সচাকৈয়ে তেওঁক যথেষ্ট সন্মান দেখুৱাইছে। বহুত বছৰ ধৰি চাৰ ব্ৰজেন্দ্ৰনাথ শীলে মানসিক আৰু নৈতিক বিজ্ঞানৰ অধ্যাপকৰ কামটো সুচাৰুৰূপ চলাই আহিছিল কিন্তু হঠাতে তেওঁ মহীশুৰ বিশ্ববিদ্যালয়ৰ ভাইচচেন্সেলাৰৰ পদ গ্ৰহন কৰিবলৈ যাব লগীয়া হোৱাত, ১৯২১ চনত সেই পদটো খালি হয়। তেতিয়া কলিকতা বিশ্ববিদ্যালয়ৰ ভাইচচেন্সেলাৰ চাৰ আশুতোষ মুখাৰ্জীয়ে ৰাধাকৃষ্ণণক লিখক আৰু বক্তা হিচাবে আগৰ পৰা জানি আছিল কাৰণে চাৰ ব্ৰজেন্দ্ৰনাথ শীলৰ ঠাইত ৰাধাকৃষ্ণণকে উক্ত ভাইচচেন্সেলাৰৰ পদত নিযুক্ত কৰিলে। চাৰ আশুতোষ মুখাৰ্জীয়ে ৰাধাকৃষ্ণণক উক্ত পদৰ কাৰণে মনোনীত কৰাত সচাকৈয়ে তেওঁ ধন্যবাদৰ পাত্ৰ। ৰাধাকৃষ্ণণৰ কৰ্তব্য-পৰায়ণতা আৰু গভীৰ একনিষ্ঠতাই তেওঁক সেই পদৰ কাৰণে সম্পূৰ্ণ উপযুক্ত বুলি পৰিচয় দিছিল।

সেই সময়ত তেওঁক ভাৰতীয় দৰ্শনৰ বিষয় এখন গ্ৰন্থ লিখিবলৈ কোৱা হৈছিল আৰু সেইখন ইংলণ্ডত ছপা কৰাৰ কথাও কোৱা হৈছিল। তেওঁ বহুত দিন ধৰি তেনেকুৱা এখন গ্ৰন্থ লিখাৰ কথা ভাবি আছিল। তাৰ পাছত দেহে-কেহে খাটি গ্ৰন্থখন লিখি উলিয়াই সকলোৰে প্ৰশংসাৰ পাত্ৰ হৈ উঠিল। পশ্চিমীয়া দেশৰ মানুহবোৰে সেই গ্ৰন্থখন পঢ়ি চাই গোটেই পৃথিবীৰ মানুহৰে বৰ উপাদেয় গ্ৰন্থ বুলি মত প্ৰকাশ কৰিছিল আৰু তাত আচৰিত ধৰণৰ তেনেকুৱা কোনো কথা সন্নিবিষ্ট কৰা নাছিল। তেওঁৰ ঐকান্তিক চেষ্টাত ভাৰতীয় দৰ্শনখন পৃথিবীৰ অন্যান্য শ্ৰেষ্ঠ গ্ৰন্থৰাজিৰ মাজত স্থান পাইছে।

বিলাতত।

১৯২৬ চনত বৃটিছ সাম্ৰাজ্যৰ বিশ্ববিদ্যালয়ৰ কংগ্ৰেছ কেম্ব্ৰীজত বহিছিল। তালৈ কলিকতা বিশ্ববিদ্যালয়কো প্ৰতিনিধি পঠাবলৈ নিমন্ত্ৰণ কৰা হৈছিল আৰু কলিকতা বিশ্ববিদ্যালয়ে প্ৰতিনিধি হিচাবে ৰাধাকৃষ্ণণক নিৰ্বাচিত কৰিছিল। অকল সিবেলিয়ে তেওঁৰ পক্ষে বিদেশলৈ যোৱা

প্ৰথম সুযোগ ঘটা নাছিল। তেওঁ অন্যান্য দেশৰ পৰাও আগেয়ে আহ্বান পাইছিল, কিন্তু গ্ৰহণ কৰা নাছিল। কিন্তু সিবেলি নিজৰ দেশে যাবলৈ অনুৰোধ কৰাত তেওঁ নগৈ থাকিব নোৱাৰিলে। ৰাধাকৃষ্ণণৰ বিলাত যাত্ৰা একেবাৰে খাটাং বুলি জানিব পাৰি ইংলণ্ডৰ বিদ্বান মণ্ডলীয়ে তাৰ কেবাখন বিশ্ববিদ্যালয়তো বক্তৃতা দিবলৈ নিমন্ত্ৰণ জনাইছিল। আটাইবোৰ ঠাইতে নিমন্ত্ৰণ ৰক্ষা কৰি বক্তৃতা দিবলৈ তেওঁ অপাৰগ হৈছিল যদিও তেওঁ অক্সফোৰ্ডৰ মানচেষ্টাৰ কলেজত আপটন লেকচাৰ (Upton Lecture) দিবলৈ সন্মতি প্ৰকাশ কৰিছিল। তাত বক্তৃতা দি তেওঁ ভালদৰে কৃতকাৰ্য্য হৈছিল। ইংলণ্ডৰ এখন বাতৰি কাকতে সেইবোৰৰ বিষয়ে এনেদৰে লিখিছিল।

"বৃটিছ সাম্ৰাজ্যৰ বিশ্ববিদ্যালয় কংগ্ৰেছলৈ ৰাধাকৃষ্ণণৰ নিচিনা এজন মানুহ কলিকতা বিশ্ববিদ্যালয়ে পঠাই নিশ্চয় গৌৰবৰ কাম কৰিছে। অক্সফোৰ্ডৰ নিচিনা পুৰণি আৰু প্ৰথম শ্ৰেণীৰ বিশ্ববিদ্যালয় এখনে মানচেষ্টাৰ কলেজত ভাৰতীয় লোক এজনক "Upton Lecture" দিবলৈ কোৱা কথাটো নিশ্চয় বৰ আচৰিতৰ কথা হৈছে"। ডাঃ জ্যাক্স সেই কলেজৰ অধ্যক্ষ আৰু বিখ্যাত দাৰ্শনিক সংবাদ পত্ৰ "The Hibbert Journal" ৰ সম্পাদকে ৰাধাকৃষ্ণণক এইদৰে কৈছিল। "আপুনি ভাৰতৰ বাহিৰে আমাৰ বিশ্ববিদ্যালয়ত

বক্তৃতা দি আমাক যথেষ্ট সম্মানিত কৰিছে” কেম্ব্ৰীজ বিশ্ববিদ্যালয়ে তেওঁক যথাবিহিত সম্মান প্ৰদান কৰিছিল। **Bradley** আৰু **Samkara** নামৰ দুজন যথাক্ৰমে ইংৰাজ আৰু হিন্দু দাৰ্শনিকৰ নৈতিক বিজ্ঞানৰ ক্লাবত সেই বিখ্যাত বিশ্ববিদ্যালয়ৰ দাৰ্শনিক সকলৰ আগত বক্তৃতা দিছিল। যেয়ে তেওঁৰ বক্তৃতা শুনিছিল সেয়ে মোহিত নোহোৱাকৈ থকা নাছিল আৰু বিশেষকৈ “মায়াৰ” (**illusion**) নিচিনা যি কঠিন বিষয় তেওঁ আলোচনা কৰিবলৈ গৈছিল সেয়ে আৰু শ্ৰোতা সকলক আৰু বেছিকৈ আচৰিত কৰি তুলিছিল। ইয়াৰ পূৰ্ব্বে কোনো ইংৰাজ বা ভাৰতীয়ই কেম্ব্ৰীজৰ চাৰি সীমাৰ ভিতৰত এনে সৰ্ সৰ্ কৈ বক্তৃতা দিব পৰা নাছিল। যদিও আগেয়ে বহুত বিখ্যাত ইংৰাজ দাৰ্শনিকে **‘Upton Lecture’** দিছিল তথাপি কোনো বক্তাই শ্ৰোতা সকলক এনেকুৱা আমোদ লগাব পৰা নাছিল। শ্ৰোতা সকল আৰু আন যেয়ে তেওঁৰ বক্তৃতা শুনিবলৈ গৈছিল সকলোৱে তেওঁৰ বক্তৃতাত বৰকৈ আকৰ্ষিত হৈছিল। শ্ৰোতা সকলৰ ভিতৰত এজনে এনেদৰে মন্তব্য প্ৰকাশ কৰিছিল যে, পূবৰ পৰা পশ্চিমলৈ দৰ্শনবাদত আৰু হিন্দুধৰ্ম্মত ইমান গভীৰ জ্ঞান থকা লোক বিৰল। আন এজনে কৈছিল যে, দৰ্শনৰ নিচিনা কঠিন আৰু নীৰস বিষয় এটাৰ বিষয়ে এনেকুৱা পাণ্ডিত্যপূৰ্ণ বক্তৃতা দিব পৰা লোক নাই বুলিলেও হয়। তেওঁ অনৰ্গল

ইংৰাজী ভাষাত এঘণ্টাৰও অধিক কাল একেলগে একেমনে বক্তৃতা দি থাকিব পাৰে। ইংলণ্ডত কাম শেষ কৰি ৰাধাকৃষ্ণণে আন্তৰ্জাতিক দৰ্শনৰ কংগ্ৰেছ মহাসভাত যোগদান কৰিবলৈ আমেৰিকালৈ গৈছিল।

তেওঁ অকল তাত দৰ্শনৰ কংগ্ৰেছসম্মিলনতে বক্তৃতা দিয়া নাছিল। চিকাগো বিশ্ববিদ্যালয়েও তেওঁক বক্তৃতা দিবলৈ নিমন্ত্ৰণ কৰিছিল আৰু তাত তেওঁ এটা সুচিন্তিত সাৰগৰ্ভ বক্তৃতা দি সকলোৰে প্ৰশংসাৰ পাত্ৰ হৈছিল। যলৈকে তেওঁ গৈছিল তাতে তেওঁ বক্তৃতা দিবলৈ আহ্বান পাইছিল। তেওঁ কেতিয়াবা বৰ খুহুঁতীয়া কথাৰে মানুহক ৰবকৈ হুহুঁৱাইছিল আৰু কেতিয়াবা ইমান গভীৰ হৈ পৰে যে তেওঁৰ পৰা এটা শব্দও শুনা নাযায়।

ভ্ৰমন কাল চোৱাত তেওঁ য়ুৰোপ আৰু আমেৰিকাৰ বহুতো বিখ্যাত বিখ্যাত বিশ্ববিদ্যালয় যেনে অক্সফোৰ্ড, কেম্ব্ৰিজ, হাৰভাৰ্ড, প্ৰিন্সটন আৰু ইয়েল আদি চাই ফুৰিছিল আৰু সকলো ঠাইতে বিপুল ভাবে সম্বৰ্দ্ধিত হৈছিল।

ৰাধাকৃষ্ণণৰ পাচত লিখা কিতাপখন হ'ল "Kalki or the Future of Civilization" এই কিতাপখনিত তেওঁ দেখুৱাইছে যে বিজ্ঞানে মানুহৰ কাৰণে কি কৰিছে।

ৰাধাকৃষ্ণণে কয় যে, বিজ্ঞানৰ বলত বৰ্ত্তমান যুগৰ

মানুহে বহুত সুখত আছে তথাপিটো মানুহৰ মনত শান্তি নাই। ৰাধাকৃষ্ণণে আকৌ কয় যে, বৰ্ত্তমান দিনৰ মানুহে যিখিনি বিচাৰে সেইখিনি পোৱা নাই। আগৰ দিনত মানুহতকৈ এতিয়াৰ মানুহ বহুত সুখত আছে তথাপি সিহঁতৰ মনত শান্তি নাই। ভাৰতলৈ উলটি আহিব ধৰোতে অন্ধ্ৰ বিশ্ববিদ্যালয়ে তেওঁক প্ৰথমতে সন্মান দেখুৱায়। বিশ্ববিদ্যালয়ৰ দ্বিতীয় সমাবৰ্ত্তনৰ সময়ত যেতিয়া মাদ্ৰাজৰ ৰাজ্যপালে সভাপতিৰ আসন গ্ৰহন কৰে সেই সময়ত ৰাধাকৃষ্ণণক ...লট্ উপাধিৰে ভূষিত কৰা হয়। ৰাধাকৃষ্ণণ অন্ধ্ৰদেশৰ ...। সেই কাৰণে নিজৰ ঠাইৰ মানুহে তেওঁক প্ৰথমে ... দেখুৱাটো ভাল কথা হৈছে। নিজৰ ঠাইত বেচিকৈ ... লাভ-কৰা মানুহৰ ভিতৰত ৰাধাকৃষ্ণণে প্ৰথম।

অক্সফোৰ্ডত।

তেওঁ ভাৰতত বেছি দিন থাকিব নালাগিল। অক্সফোৰ্ডৰ মানচেষ্টাৰ কলেজত (Comparative Religion) ৰ আসনখন খালি হোৱাত ৰাধাকৃষ্ণণক সেই পদ যচা হৈছিল আৰু ৰাধাকৃষ্ণণে তাকে গ্ৰহন কৰিছিল। কিন্তু তেনেকুৱা কাম এটা তৎক্ষণাতে গ্ৰহন কৰা ৰাধাকৃষ্ণণৰ পক্ষে সম্ভৱ হোৱা নাছিল; সেই

PLEASE HANDLE THE BOOK CAREFULLY

কাৰণে তেওঁ এবছৰ পাচতহে উক্ত কামৰ ভাৰ গ্ৰহন কৰিবলৈ গৈছিল। ৰাধাকৃষ্ণণ পুনৰায় ইংলণ্ডলৈ যাব বুলি শুনি মানুহবোৰে তেওঁক পৃথিবীৰ বিভিন্ন ঠাইত বক্তৃতা দিবৰ কাৰণে আহ্বান জনাইছিল। ৰাধাকৃষ্ণণে আনবোৰ নিমন্ত্ৰণ নেওচি "**Hubbert Trust**" ত বক্তৃতা দিয়া আটাইতকৈ উত্তম বুলি ভাবিলে। ভাৰতীয় লোক হিচাবে তেওঁৱেই তাত বক্তৃতা দিয়া প্ৰথম। একে বক্তৃতাকে লণ্ডন আৰু মানচেষ্টাৰত দিয়া হৈছিল আৰু তাত বহুত লোকে বক্তৃতা শুনিবলৈ গৈছিল। বক্তৃতা শেষ হোৱাত লণ্ডন বিশ্ব-বিদ্যালয়ৰ ভাইচ্‌চেঞ্চেলাৰে কৈছিল "মানুহৰ মাজত বহুত অন্ধ বিশ্বাস আছে আৰু সেইবোৰ কেনেকৈ দূৰ কৰিব পাৰি তাকে আপুনি দেখুৱাইছে; ভবিষ্যতে আপুনি আমাক সাহস আৰু আশা দেখুৱাইছে। আমাৰ ছাত্ৰসকলে আপোনাৰ বক্তৃতা শুনাটো বৰ ভাল কথা হৈছে। আপুনি যি কঠিন বিষয়ৰ বক্তৃতা দিছে তাকে শুনি আমি আচৰিত হৈছোঁ আৰু আপুনি ইংৰাজী ভাষাৰ যি গভীৰ জ্ঞানৰ পৰিচয় দিছে সি সচাকৈয়ে প্ৰশংসা কৰিব লগীয়া অথচ সেইটো আপোনাৰ মাতৃভাষা নহয়"। ভাৰত এখন ধৰ্ম্ম আৰু দৰ্শন শাস্ত্ৰৰ দেশ। আৰু বৰ আনন্দৰ কথা এই যে সেই দেশৰে সেইবোৰ বিষয়াৰ একজন পণ্ডিত আছে।

কিছুদিন পাচত তেওঁ সেই সকলোবোৰ গোটখুৱাই "The Idealistic View of Life" নাম দি এখন গ্ৰন্থ ছপা কৰে। এই গ্ৰন্থ খনিয়ে তেওঁৰ গভীৰ ভাবৰ পৰিচয় দিয়ে। ঈশ্বৰৰ ওপৰত তেওঁৰ অটল বিশ্বাস। ঈশ্বৰে সকলোকে স্ৰজন কৰিছে আৰু তেওঁৱে সকলোকে ৰক্ষা কৰিব আৰু কৰিছেও। তেওঁ মানবজাতিৰ একমাত্ৰ বন্ধু আৰু বিচাৰ পতি বুলি কৰ পাৰি। ইয়াৰ বাহিৰেও ৰাধাকৃষ্ণণে ইংলণ্ডত বহুত সাৰগৰ্ভ বক্তৃতা দিছিল। তেওঁৰ বক্তৃতা বোৰত ধৰ্ম্মৰ কথা সদায় ফুটি ওলাইছিল। কেইটামান বক্তৃতা তেওঁ গীৰ্জ্জা ঘৰতো দিছিল। খৃষ্টিয়ান সকলে তেওঁৰ বক্তৃতা শুনি বৰ ভাল পাইছিল। এখন কাকতে এবাৰ কৈছিল যে যেয়ে তেওঁৰ বক্তৃতা শুনিছে তাৰে অন্তৰত দকৈ লাগি গৈছে।

মুঠৰ ওপৰত অক্সফোৰ্ডত অধ্যাপক ৰাধাকৃষ্ণণে বক্তৃতা দিয়াত ভালদৰে কৃতকাৰ্য্য হৈছিল। অক্সফোৰ্ড এৰি আহিবৰ সময়ত মানচেষ্টাৰ কলেজৰ অধ্যক্ষ 'জ্যাক্স' চাহেবে এই বুলি মত প্ৰকাশ কৰিছিল। ৰাধাকৃষ্ণণে অকল প্ৰাচ্য বুলিয়ে নহয় প্ৰতীচ্যৰ দৰ্শন সমূহো জানে। ইয়োৰোপৰ দৰ্শন শাস্ত্ৰত তেওঁৰ যথেষ্ট জ্ঞান আছে। যেয়ে এবাৰ তেওঁক দেখিছে বা তেওঁৰ কথা শুনিছে সেয়ে তেওঁক ভালদৰে লক্ষ্য কৰিছে। অধ্যক্ষজনে কৈছিল, তেওঁৰ

ব্যৱহাৰত অমায়িকতা আৰু তেওঁৰ চকুৰ চাৱনিত সহৃদয়তা ফুটি ওলায়। সেয়েহে তেওঁ সকলোৰে মন সহজে আকৰ্ষণ কৰিব পাৰে। অকল সেইটোৱে তেওঁৰ অক্সফোৰ্ডত দিয়া শেষ বক্তৃতা নহয়। প্ৰত্যেকে আকৌ এবাৰ তেওঁ অক্সফোৰ্ডলৈ বক্তৃতা দিবলৈ অহাটো কামনা কৰিছিল। তেওঁ সকলোকে নিজৰ দেশৰ উন্নতিৰ হকে খাটিবলৈ উপদেশ দিয়ে। তেওঁ কয় নিজ দেশৰ উন্নতিকল্পে চেষ্টা কৰাটো সকলোৰে কৰ্ত্তব্য। আৰু যিয়ে তেওঁৰ উপদেশ অনুসৰি কাম কৰিছে সেয়ে দেশৰ কিছু উন্নতিমূলক কাম কৰিছে।

এগৰাকী ধৰ্ম্মপৰায়ণা বয়সীয়াল ভদ্ৰ মহিলাই তেওঁৰ বক্তৃতা শুনি কৈছিল "আমি ভাৰতলৈ মিছনাৰী পঠোৱাৰ আৱশ্যক নাই, ৰাধাকৃষ্ণণৰ নিচিনা উপযুক্ত লোক এজন মাজে সময়ে ইংলণ্ডলৈ আহি ভাৰতৰ খা-খবৰ আৰু দুখ কষ্টৰ বিষয় জনাই থাকিলে হয়। এনেকুৱা কৰিলে দুয়োখন দেশৰ মাজত পৰস্পৰ ভাবৰ আদান প্ৰদান হৈ থাকিব। ৰাধাকৃষ্ণণে প্ৰত্যেক ভাৰতবাসীকে নিজৰ দেশৰ বিষয় ভালদৰে বুজাইছিল। তেওঁৰ ওজস্বিণী বক্তৃতাই সকলোৰে মনত এটা গভীৰ সাঁচ বহুৱাই দিছিল আৰু তেওঁলোকৰ মনত পুৰণি ৰীতি-নীতিৰ ভাবৰ এটা পৰিবৰ্ত্তন অনাই এটা নতুনত্বৰ ভাব সোমাই দিছিল।

অন্ধ্র বিশ্ববিদ্যালয়।

১৯৩০ চনত ৰাধাকৃষ্ণণ ভাৰতলৈ আহিল। তেওঁ প্ৰথমে কলিকতালৈ গৈ ইংলণ্ডত কৰা নানা কামৰ এটা বিৱৰণী দিলে। সেই সময়ত তেওঁ দহ বছৰ ধৰি কৰি অহা মানসীক আৰু নৈতিক বিজ্ঞানৰ অধ্যাপকৰ পদৰ ওৰ পৰিল। কিন্তু কলিকতা বিশ্ববিদ্যালয়ে তেওঁৰ গুণ প্ৰশংসা কৰি গোটেই জীৱনটোৰ কাৰণে তেওঁক অধ্যাপকৰ কামত নিযুক্ত কৰিলে। অৱশ্যে ৰাধাকৃষ্ণণ তাৰ বাবে সম্পূৰ্ণ উপযুক্ত আছিল। তেওঁৰ সমৰ্থতা আৰু কাৰ্য্য-কুশলতা দেখি তেওঁক 'নাইট' উপাধি দিছিল। ৰাধাকৃষ্ণণৰ মনৰ ইচ্ছা আছিল কিছু বছৰ কলিকতা বিশ্ববিদ্যালয়ত অধ্যাপকৰ কাম কৰা, কিন্তু ইতিমধ্যে নিজ ঠাই অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ পৰা নিমন্ত্ৰণ পোৱাত তেওঁ উক্ত বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ পদ প্ৰত্যাখ্যান কৰিব লগীয়া হ'ল।

১৯২৬ চনত অন্ধ্ৰবিশ্ববিদ্যালয় বিজয়াবাদত খোলা হৈছিল। চাৰি বছৰে অন্ধ্ৰবিশ্ববিদ্যালয়ে বহুত কেইজন

বিজ্ঞান আৰু কলা বিভাগৰ গ্ৰেজুৱেট বাহিৰ কৰিলে। কিন্তু বহুতলোকে তেনেকুৱা পদ্ধতি পছন্দ নকৰিলে। সেই কাৰণে তেওঁলোকে স্থিৰ কৰিলে যে এজন উপযুক্ত ভাইচ্ চেন্সেলাৰ নিযুক্ত কৰি ওৱালটায়াৰত এখন Residential ধৰণৰ বিশ্ববিদ্যালয় খুলিব লাগে। অন্ধ্ৰবিশ্ববিদ্যালয়ৰ চিনেটে ৰাধাকৃষ্ণণক সেই বিশ্ববিদ্যালয়ত ভাইচ্ চেন্সেলাৰৰ পদত নিয়োগ কৰিলে। এজন উপযুক্ত ভাইচ্ চেন্সেলাৰ হোৱাৰ সকলো গুণ ৰাধাকৃষ্ণণৰ গাত আছিল। তেওঁ এজন সুপণ্ডিত তাত সন্দেহ নাই। তেওঁ গোটেই য়ুৰোপ আৰু আমেৰিকালৈ গৈ পুৰণি নতুন সকলো বিশ্ববিদ্যালয় কেনেদৰে চলিছে তাকে চালে। কিন্তু সেইটো সিমান কামত নাহিল। কিন্তু শেষত তেওঁ নিজ মানুহৰ নিমন্ত্ৰণ ৰক্ষা কৰি ওৱালটায়াৰত অন্ধ্ৰবিশ্ববিদ্যালয়ৰ ভাইচ্ চেন্সেলাৰৰ পদ গ্ৰহণ কৰিলে। তেওঁ ১৯৩২ চনৰ পৰাই ১৯৩৬ চনলৈকে উক্ত কামত আছিল। সেই সময়ৰ ভিতৰত বিশ্ববিদ্যালয়ত সকলোপিনে উন্নতি হৈছিল। ছাত্ৰৰ সংখ্যা বাঢ়িল তাৰ উপৰিও ৰাধাকৃষ্ণণৰ উপস্থিতিত ছাত্ৰসকলৰ জ্ঞান-পিপাসা প্ৰবল হৈ উঠিল। তেওঁ প্ৰত্যেক ছাত্ৰৰে অন্তৰত মহৎকামৰ ভাব সোমাই দিছিল। ছাত্ৰ আৰু শিক্ষক উভয়ে নানা বিষয়ৰ অধ্যয়ন আৰু গবেষণাত নিযুক্ত থকাৰ কাৰণে প্ৰেৰণা পালে। তেওঁ কেৱল ছাত্ৰসকলৰ ভাল কাম কৰাৰে অনুপ্ৰেৰণা

যোগোৱা নাছিল, আনকি তেওঁৰ প্ৰভাৱো সিহঁতৰ জীৱনত বিস্তাৰ কৰাৰ চেষ্টাও কৰিছিল। অকল পঢ়া শুনা কৰাই নহয়; সিহঁতৰ স্বাস্থ্যৰ উন্নতিৰ কাৰণেও খেলা-ধূলা কৰিবলৈ সিহঁতক উৎসাহ দিছিল। তাৰ উপৰিও ছাত্ৰসকলৰ মাজত পৰস্পৰ বন্ধুত্ব ভাব স্থাপন কৰাই দিছিল। সেই উদ্দেশ্যে ক্লাবঘৰ আৰু ছোছাইটি পাতি দিছিল, যাতে তাত সকলো ছাত্ৰ লগ লাগি নানা তৰহৰ বিষয় আলোচনা কৰিব পাৰে। এইদৰে তেওঁ বহুত হিতকৰ কাম কৰি দিছিল। তেওঁ যেনে এজন সুপণ্ডিত আছিল তেনে বিশ্ববিদ্যালয়ৰ এজন কৰ্ণধাৰও আছিল।

পুনৰায় অক্সফোৰ্ডত

তেওঁ ১৯৩৬ চনলৈকে অন্ধ্ৰবিশ্ববিদ্যালয়ত ভাইচ চেন্সেলাৰৰ পদত থাকি বিশ্ববিদ্যালয় খন সকলো প্ৰকাৰে গঢ়ি তুলিছিল। কিন্তু ১৯৩৬ চনত অক্সফোৰ্ডে তেওঁক প্ৰাচ্য ধৰ্ম্ম আৰু 'এথিক্সৰ' 'স্প্যালদিং' অধ্যাপক হবলৈ নিমন্ত্ৰণ কৰিলে। ভাৰতীয় লোক এজনক অক্সফোৰ্ড বিশ্ববিদ্যালয়ত এনেকুৱা এটা উচ্চপদ যচা এয়ে প্ৰথম

বুলি কব পাবি। তেওঁ নিমন্ত্ৰণ গ্ৰহন কৰিছিল। তেওঁৰ দেশৰ মানুহে তওঁ তেনেকুৱা এটা সন্মানজনক পদবী পোৱাত আনন্দ প্ৰকশ কৰিলে আৰু ভিন ভিন ঠাইত থকা বন্ধু বান্ধব সকলেও তেওঁ উচ্চপদত নিযুক্ত হোৱা কাৰণে আনন্দ প্ৰকাশ কৰি বাতৰি পঠালে। নানা ঠাই৭ সভাসমিতি পাতি তেওঁক সন্মান দখুৱাইছিল আৰু সন্মান দেখুৱা সকলৰ প্ৰতি তেওঁ কৃতজ্ঞতাৰ ভাব দেখুৱাইছিল। বোম্বাই প্ৰদেশত দেশ-বিদেশৰ বিখ্যাত কবি, সাহিত্যিক, উপন্যাসিক আৰু প্ৰখ্যাত লিখক সকলে এখন সম্মিলনত সমবেত হৈ তেওক বিদায় সম্ভাষণ জনাইছিল। চাৰ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ ভাৰতীয় শাখাৰ এই সমিতিৰ বহুত বছৰ ধৰি সহকাৰী সভাপতি আছিল। তেওঁ দ্বিতীয়বাৰ অক্সফোৰ্ডলৈ যাওতে ভাৰতৰ এজন সুযোগ্য সন্তান স্বৰূপে গৈছিল আৰু আগৰ দৰে তেও সেইবাৰো পছিমীয়া লোকসকলৰ আগত ভাৰতবাসীৰ মহত্বৰ এটা হুবহু ছবি ডাঙি ধৰিব বুলি আশা কৰিছিল। তেওঁ ইংলণ্ডত তিনি বছৰ আছিল। বিলাতত থকা সময়ত তেওঁ যিবোৰ বিষয়লৈ বক্তৃতা দিছিল সেইবোৰ একলগ কৰি তেওঁ 'Eastern Religion and Western Thought' নাম দি এখন গ্ৰন্থ ৰচনা কৰিছিল। সেই গ্ৰন্থখনে পাশ্চাত্য দাৰ্শনিকসকলৰ ওপৰত প্ৰভাৱ পেলাইছিল আৰু সেই গ্ৰন্থখন পঢ়ি 'The Times' কাকতে এনেদৰে সমালোচনা কৰিছে "গ্ৰন্থখনিয়ে পাশ্চাত্য

সভ্যতাৰ ওপৰত হুবহু পৰিবৰ্ত্তন আনিছে”। অক্সফোৰ্ডৰ এখন আলোচনীয়ে এনেদৰে মন্তব্য কৰিছিল— “কদাচিৎ কোনোবা এজনৰ লিখকৰ কাপতহে এনেকুৱা এখন দেং-দুৰ্লভ গ্ৰন্থ ওলায়”। ১৯৩৮ চনৰ জুন মাহত ৰাধাকৃষ্ণণে গৌতম বুদ্ধৰ বিষয় পতা বছৰেকীয়া বৃটিছ একাডেমিত যি বক্তৃতা দিছিল সেই বক্তৃতাই গোটেই দৰ্শকবৃন্দকে মোহিত কৰি তুলিছিল আৰু বচা বচা বৃটেইনৰ সুপণ্ডিত সকলৰ দ্বাৰা গঠিত এনেকুৱা এখন সভাত ভাৰতীয় লোক এজনে বক্তৃতা দিবলৈ সুযোগ পোৱাটো নিশ্চয় গৌৰবৰ কথা। ৰাধাকৃষ্ণণে অক্সফোৰ্ডৰ অধ্যাপক হিচাবে আৰু বৃটিছ একাডেমিৰ “ফেল” হিচাবে যথেষ্ট সুখ্যাতি আৰু সন্মান লাভ কৰিছে।

অন্যান্য কাৰ্য্যকলাপ

পূৰ্ব্বিক পাশ্চাত্যৰ লগত পৰস্পৰ সম্বন্ধ স্থাপন কৰাৰ কাৰনে তেওঁ দেহেকেহে চেষ্টা কৰিছে। পূবৰ দেশবোৰ পশ্চিমৰ লগত কিমান খিনি ঋণী আৰু পশ্চিম পূবৰ লগত কিমান তাকে দেখুৱাবলৈ তেওঁ ইচ্ছা কৰে। সেই কাৰনে তেওঁ কেইবছৰমান আগতে জাতিসংঘৰ সৌজন্যত জেনেভাত পতা সংস্কৃতি সমবায়ৰ সদস্য নিৰ্ব্বাচন

কৰা হৈছিল। পৃথিবীৰ বেলেগ বেলেগ জাতিবোৰ একগোট হৈ জাতিসঙ্ঘ গঠিত হৈছিল। প্ৰত্যেক দেশে নিজৰ কমিটিবোৰ লৈ সভা পঠাইছিল। সেই সকলৰ এটা কমিটিয়ে পৃথিবীৰ বিখ্যাত লিখক আৰু ভাবুক সকলক নিমন্ত্ৰণ কৰি একলগ কৰিছিল। তেওঁ সেই কমিটিৰ ন বছৰ ধৰি সভ্য হৈছিল আৰু পূব আৰু পশ্চিমৰ পৰস্পৰমাজত সদ্ভাব দেখুৱাবলৈ যথেষ্ট চেষ্টা কৰিছিল। এই চেষ্টা তেওঁ বহুত বছৰৰ পৰাই কৰি আহিছে। পূবৰ দেশবোৰ পশ্চিমীয়া দেশৰ লগত লগ লগাটো তেওঁ বিশ্বাসযোগ্য বুলি ভাবে। তেওঁ নিজে বিশ্বস্ত আৰু কয় যে এনে এটা দিন আহিব যেতিয়া সকলো বিবাদৰ অন্ত পৰি পৃথিবীৰ সকলো জাতিৰ মাজত বন্ধুত্বৰ ভাব স্থাপিত হব।

১৯২৭ চনত পোন প্ৰথমে তেওঁক অন্ধ্ৰবিশ্ববিদ্যালয়ে বক্তৃতা দিবলৈ অনুৰোধ কৰে। তেওঁ তাত জাতীয় জীৱন আৰু বিশ্ববিদ্যালয় সমূহৰ বিষয় বক্তৃতা দিছিল। তেওঁ তাত ভাৰতৰ অতীত বুৰঞ্জী অধ্যয়ন কৰিবলৈ ছাত্ৰসকলক উপদেশ দিছিল, যদি তেওঁলোকে ভাৰতৰ ভবিষ্যৎ উন্নতিৰ কাৰণে কিবা কৰিব খোজে। তেওঁ কয় যে ছাত্ৰ-সকলে কেৱল ভাষা আৰু বিজ্ঞান অধ্যয়ন কৰি থাকিলেই নহব, দেশৰ উন্নতি কৰিবলৈ হলে দেশৰ খেতিয়ক ভাই-সকলক আৰু কলত কাম কৰা বনুৱা সকলৰ সুবিধাৰ অৰ্থে

কাম কৰিব লাগিব। অৱশেষত তেওঁ ছাত্ৰসকলক সত্যবাদী আৰু জন-সেৱাত জীৱন নিয়োগ কৰিবলৈ উপদেশ দিয়ে।

১৯৩০ চনত তেওঁ মহীশুৰ বিশ্ববিদ্যালয়ত সমাবৰ্ত্তন উৎসৱত শিক্ষা আৰু জাতীয়তাবাদৰ বিষয় বক্তৃতা দিছিল। এই উদ্দেশ্যে তেওঁ ছাত্ৰ সকলক বাহিৰলৈ গৈ জনসাধাৰণক সেৱা কৰিবলৈ উপদেশ দিছিল। সেই বছৰত তেওঁ পঞ্জাব বিশ্ববিদ্যালয়ৰ সমাবৰ্ত্তন উৎসৱত গ্ৰেজুৱেট সকলক সম্বোধন কৰি তলত দিয়া বিষয়ৰ বক্তৃতা দিছিল। 'নেতৃত্বৰ বাবে শিক্ষা' এই দুষাৰ বহুমূলীয়া বাণী ছাত্ৰসকলক শুনাইছিল। তেওঁ কৈছিল টকাৰ কাৰণে জীয়াই থাকিবলৈ ইচ্ছা নকৰিবা। জনহিতকৰ কামত নিজৰ জীৱন উৎসৰ্গা কৰি দিবা।

১৯৩১ চনত তেওঁ লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ সমাবৰ্ত্তন উৎসৱত বক্তৃতা দিছিল, বক্তৃতাৰ বিষয় হৈছে, 'যুৱকৰ উদ্দীপনা' তাত তেওঁ ছাত্ৰসকলক নিজ দেশ ভাৰতৰ উন্নতিৰ কাৰণে অশেষ পৰিশ্ৰম কৰিবলৈ উপদেশ দিয়ে। তেওঁ কয় 'ভাৰতে এই সময়ত তোমালোকৰ সহায় বিচাৰিছে; তোমালোকে আজি এই বিশ্ববিদ্যালয়ত পঢ়ি যি শিকিছা, যি বুজিছা তাকে কাৰ্য্যত খটুৱাবলৈ যত্ন কৰিবা। এয়ে তোমালোকক ন্যায় পৰায়ণ, সত্যবাদী আৰু সৎ হবলৈ শিকাব। তোমালোকে জীৱনত কেতিয়াও আৰাম নিবিচাৰিবা কেৱল মন-প্ৰাণ সেৱাত ঢালি দিবা।

১৯৩২ চনত নাগপুৰ বিশ্ববিদ্যালয়ত গ্ৰেজুৱেট সকলক সম্বোধন কৰি শিক্ষা আৰু নতুন গণতন্ত্ৰৰ বিষয়ে এই বুলি কৈছিল যে, প্ৰত্যেক যুৱকে অকল নিজৰ কাৰণেই নহয় আনৰ উপকাৰৰ কাৰণেও জীয়াই থকা উচিত।

১৯৩৪ চনত তেওঁ এলাহাবাদ বিশ্ববিদ্যালয়ত গ্ৰেজুৱেট সকলক সম্বোধন কৰি কৈছিল যে, প্ৰত্যেকজন উচ্চ শিক্ষিত লোকে ভদ্ৰ হোৱা উচিত। তেওঁলোক উচ্চ পদস্থ কৰ্ম্ম-চাৰী হওঁক নহওঁক, কিন্তু প্ৰত্যেক জনে নিৰীহ, দুখীয়া-লোকৰ প্ৰতি সদয় আৰু পৰোপকাৰী হোৱা উচিত।

ৰাধাকৃষ্ণণে এতিয়ালৈকে নানা বিশ্ববিদ্যালয়ত নানা বিষয়ৰ বক্তৃতা দি আহিছে, কিন্তু ৰবি ঠাকুৰৰ সত্তৰ বাৰ্ষিকী জন্মোৎসৱ উপলক্ষে কলিকতাত দিয়া বক্তৃতা এটিত তেওঁক যি সন্মান দেখুৱা হৈছিল তাৰ বাবে তেওঁ সেই সভাৰ সম-জুৱাসকলৰ ওচৰত কৃতজ্ঞতা আৰু তেনেকুৱা উৎসৱত ৰাধাকৃষ্ণণে সভাপতিত্ব কৰিবলৈ নিমন্ত্ৰণ পোৱাটো অৱশ্যে ৰৰ সৌভাগ্যৰ কথাও। তেওঁ সভাপতিৰ ভাষণত কবিগুৰুৰ কৰ্ম্মময় জীৱনৰ এটা বৰ্ণনা দিয়ে। তেওঁ কয় যে, বিশ্ব-কবিৰ লিখনিত এটা ভাব ফুটি উঠে। সেইটো হৈছে মানুহ হৈ জন্ম গ্ৰহণ কৰি পৃথিৱীত যথেষ্ট কাম কৰিব লাগে। কেৱল মানুহ নাম লৈ জীয়াই থকাই উদ্দেশ্য নহয়। জীৱন কৰ্ম্মময়।

তেওঁ কলিকতাত নিখিল ভাৰত মহিলা সমিতিৰ কোনো এখন সভাত বক্তৃতা দিওতে কৈছিল যে, বৰ্ত্তমান যুগৰ তিৰোতাসকলে অতীত ভাৰতৰ তিৰোতাসকলৰ নিচিনা শিক্ষা-লিপ্সু আৰু কামিলা হোৱা উচিত। যি সকলে ভাৰতক দুভাগ কৰিবলৈ দুৰভিসন্ধি কৰিছে, তেওঁলোকে সেই কু অভিপ্ৰায় ত্যাগ কৰি একমত হৈ এখন অখণ্ড ভাৰত গঢ়ি তোলা উচিত আৰু নিজেও নিৰ্ম্মল অন্তঃকৰণ লৈ মহৎ জীৱন যাপন কৰা দৰ্কাৰ। ৰাধাকৃষ্ণণ এজন চিন্তাশীল আৰু প্ৰতিভাশালী লোক। তেওঁৰ বাক্‌শক্তি আৰু লিখনিৰ মাজে-দিয়ে মানুহৰ অন্তৰ জয় কৰিব পাৰিছে। তেওঁ ভাবে যে, দৰ্শনে প্ৰকৃত লোক গঢ়ি তোলে। দৰ্শন শাস্ত্ৰই মানুহক পৃথিবীৰ সকলো বিষয় আৰু সকলো কামতে উৎসাহ জন্মাই মানুহৰ সাংসাৰিক জীৱনটোক ওপৰ খাপলৈ তুলি নিয়ে। দৰ্শন শাস্ত্ৰৰ এজন অধ্যাপক হিচাবে তেওঁ কয় যে, কিবা এটা নিৰ্দ্দিষ্ট ধৰ্ম্ম গ্ৰহণ কৰিলেই মানুহ ভাল হব নোৱাৰে, কিন্তু যিয়ে নিজৰ অন্তৰখনি নিৰ্ম্মল, মহৎ আৰু উদাৰ কৰি তুলিব পাৰে তেওঁহে প্ৰকৃত লোক। তেওঁ কিছুদিন আগতে লিখিছিল ঈশ্বৰে কেতিয়াও মানুহক বুদ্ধিহীন আৰু দুখীয়া বুলি ধৰি নলয়। তেওঁ সদায় সকলো মানুহ সত্যবাদী, সুবিচাৰক আৰু আনৰ প্ৰতি মৰমিয়াল হবলৈ কামনা কৰে। তেওঁ কয় যে সকলো মানুহ সমানে দয়ালু আৰু সহানুভূতিশীল হলে পৃথিবীখন স্বৰ্গত পৰিণত হব।

ৰাধাকৃষ্ণণ মানুহজন।

এতিয়া আমি চাওঁ ৰাধাকৃষ্ণণ মানুহজননো কেনে ? আগতে উল্লেখ কৰি অহা হৈছে যে, তেওঁ সৰুৰে পৰা অকলে পঢ়ি, অকলে চিন্তা কৰি আৰু অকলে লিখি থাকিবলৈ ভাল পাইছিল। ল'ৰা কালৰ পৰা তেওঁ বৰ লাজুকীয়া ধৰণৰ ল'ৰা। কিন্তু সেই বুলি তেওঁ সমাজ প্ৰিয় নহয় বুলি কলে ভুল হব। যাৰ লগত তেওঁ ভালদৰে পৰিচিত তেওঁলোকৰ লগত মিলিজুলি থাকি আৰু কথা-বাৰ্ত্তাকৈ ভাল পায়। তেওঁ পূব আৰু পছিমীয়া দেশৰ ডেকা, বুঢ়া, ধনী, দুখীয়া সকলোৰে লগত মিলি ভাল পায়। তেওঁ প্ৰথম দৃষ্টিতে সকলো মানুহৰ চাল-চলন, স্বভাৱ-চৰিত্ৰ ধৰিব পাৰে আৰু কাৰবাৰ লগত এবাৰ কথা-বতৰা হলে তেওঁ তাক নাপাহৰে। তেওঁ বৰ দয়াশীল, সেই কাৰণে সকলো মানুহে প্ৰয়োজন হলে তেওঁৰ ওচৰলৈ সহায় বিচাৰি যায়। তেওঁ বৰ মৰমিয়াল আৰু সকলোকে যথাসাধ্য সহায় কৰিবলৈ চেষ্টা কৰে।

মানুহক আশাতীত সহায় কৰিব নোৱাৰিলেও তেওঁ সহানুভূতিপূৰ্ণ ভাষাৰে বুজনি দি মনত সন্তোষ দিয়ে। ৰাজনীতিক্ষেত্ৰত ৰাধাকৃষ্ণণ মহাত্মাগান্ধীৰ সমকক্ষ নহলেও বুদ্ধি আৰু গুণত এখোপ বেচি বুলিহে কব পাৰি। এই বিশাল পৃথিবীখনৰ নানা ঠাইৰ নানা লোকে তেওঁৰ ওচৰলৈ সৎপৰামৰ্শ আৰু কঠিন বিষয়বোৰৰ বুজনি লবলৈ আহে। ৰাধাকৃষ্ণণ নিজেই যে এজন শ্ৰেষ্ঠ দাৰ্শনিক পণ্ডিত সেইকথা সমূলি পাহৰি যায় আৰু সকলোৰে লগত হাঁহি তামচা কৰে। তেওঁৰ বন্ধুবৰ্গই আৰু ছাত্ৰ সকলেও তেওঁক ভালদৰে বুজে। নিজৰ ক্লাচ-ৰুমত তেওঁ এজন পুৰামাত্ৰাই অধ্যাপক আৰু বাহিৰত হলে নিজৰ ছাত্ৰসকলৰ মাজত বহি সিহঁতৰ এজন হৈ পৰে। বহুত মানুহ আছে যি সকলে নিজক ভয় কৰিবলৈ নিজৰ পৰাক্ৰম আনক দেখুৱায়। কিন্তু ৰাধাকৃষ্ণণ তাৰ সম্পূৰ্ণ বিপৰীত, তেওঁ আনক নিজৰ নম্ৰ স্বভাৱটোহে দেখুৱায়। ৰাধাকৃষ্ণণ তেওঁতকৈ শ্ৰেষ্ঠ, সম্মনীয়া আৰু সকৰ ওচৰত নিজৰ নম্ৰ স্বভাব দেখুৱায়। তেওঁ কেতিয়াও কাকো খং নকৰে। তাৰ কাৰণ হ'ল তেওঁৰ তেনেকুৱা অহং ভাব নাই তেওঁক আনে কেতিয়াও বিখ্যাত বুলি ভবাটো পছন্দ নকৰে। যদি তেওঁক কোনোবাই আগতে গুণ বখানিব খোজে তেন্তে তেওঁ বাধা দিয়ে। সেয়ে তেওঁৰ প্ৰকৃত মহত্বৰ চিন। তেওঁ সদায় সাধাৰণ সাজপাৰ পিন্ধি ফুৰে। তেওঁ এবাৰ এখন ভাৰতীয় বিশ্ববিদ্যালয়ৰ পঞ্চম বাৰ্ষিক উৎসৱত যোগদান দিছিল। সেই উপলক্ষে

ভোজনৰ আয়োজন কৰা হৈছিল আৰু তাৰিলেকে তেওঁৰ বাহিৰে অন্যান্য গন্যমান্য লোককো নিমন্ত্রণ কৰা হৈছিল। অন্যান্য নিমন্ত্রিত ভদ্রলোক সকলে ধুনীয়া সাজপাৰ পিন্ধি আহিছিল কিন্তু ৰাধাকৃষ্ণণে সচাঁৰাচৰ পিন্ধা গিহি ধুতি এখন এটা লম্বা কোট আৰু মূৰত পাগুৰি মেৰে সৈতে উপস্থিত হৈছিল। তেওঁ সদায় সহজ ভাবে জীৱন যাপন কৰিয়ে মনত উচ্চ আকাংক্ষা ৰাখি চলিছিল। তেওঁৰ লগত আলাপ কৰি ভাল লাগে। তেওঁ সকলো বিষয়ৰ কথাকৈ মানুহক আমোদ লগাব পৰা গুণ আছে। অকল যে দৰ্শনৰ প্ৰতিহে তেওঁৰ অনুৰাগ এনে নহয় অন্যান্য বিষয়ও তেওঁ ভাল পায়। ৰাজনীতিৰও তেওঁৰ যথেষ্ট জ্ঞান আছে। সকলো বিষয়তে তেওঁৰ জ্ঞান আছে। তেওঁ আটাইতকৈ নিজদেশ ভাৰত-বৰ্ষক অন্তৰেৰে সৈতে ভাল পায়। তেওঁ কেতিয়াও ভাৰতৰ বাহিৰত থাকিবলৈ নোখোজে। তেওঁ জানে যে যি কোনো ক্ষেত্ৰতে ভাৰতীয় মানুহে খুব বেচিভাবে কিন্তু কাম খুব কম কৰে। তেওঁ সদায় ভাৰতবাসীয়ে ন্যায় পথত চলাটোৱেই কামনা কৰে। ১৯১৯ চনত ৰাধাকৃষ্ণণে নিখিল ভাৰতৰ শিক্ষক আৰু অধ্যাপক সকলে যোগদান কৰা এখন বাৰ্ষিক সভাত সভাপতিত্ব কৰিছিল। যদিও তেওঁ শিক্ষাৰ ক্ষেত্ৰত উচ্চস্থান অধিকাৰ কৰি আছিছে, তথাপি তেওঁ সদায় এজন শিক্ষক বুলিয়েই গৌৰব কৰে। এসময়ত তেওঁৰ সমসাময়িক শিক্ষক এজনে কৈছিল যে,

শিক্ষকৰ জীৱন সদায় সুখী নহয়। শিক্ষকৰ স্থান যিমান ওপৰত হব লাগে সিমান নহয়। আন চাকৰীৰ সমান ইয়াত টকা পোৱা নাযায়। তেনেকুৱা ভাব উপস্থিত হোৱাত যদি কেতিয়াবা মনলৈ অশান্তি আহে তেতিয়াই ৰাধাকৃষ্ণণৰ কথা ভাবিলে মনৰ শান্তি আহে। কাৰণ ৰাধাকৃষ্ণণো তেওঁলোকৰ ভিতৰৰ এজন শিক্ষক। ৰাধাকৃষ্ণণৰ কথা ভাবিলে ভাল লাগে। কাৰণ তেওঁ এজন আদৰ্শপুৰুষ; সংসাৰৰ কিবা অলপ অচৰপ ভাল কামেই কৰা হৈছে। ৰাধাকৃষ্ণণৰ নিচিনা শিক্ষক এজনে জাতি এটা গঢ়ি তুলিব লাগিছে। যেয়ে তেওঁৰ ওচৰ চাপে তাৰ আগতে তেওঁ তেনেকুৱা ভাব দেখুৱাই। সেই সভাত তেওঁ শিক্ষকসকলৰ মনত লগ কৈ বৰ অনুপ্ৰেৰণামূলক বক্তৃতা এটা দিছিল। যি সকলে ভাৰতৰ শিক্ষা পদ্ধতিৰ কথা কয় সি সকলে সেই বিষয়টো বৰ প্ৰয়োজনীয় নহয় বুলি কয়। কিছুমানে ভাবে শিক্ষাৰ লক্ষ্য হৈছে প্ৰকৃত জ্ঞান প্ৰদান কৰা। এইবোৰ মানুহে ভাবে যে কিতাপ পঢ়ি জ্ঞান আহৰণ কৰিলেই নহয়, যি শিক্ষাই মানুহক, উপাৰ্জ্জনৰ পথ সুগম কৰি দিয়ে সেয়ে প্ৰকৃত শিক্ষা। কিছুমানে ভাবে খাইলৈ থকাই জীৱনৰ প্ৰধান কাম আৰু কিছুমানে ভাবে যে শিক্ষাৰ প্ৰকৃত লক্ষ্য হোৱা উচিত প্ৰকৃত নাগৰিক আৰু স্বদেশ প্ৰেমিক কৰি তোলা। এইবোৰ মানুহে হে শিক্ষাক কেবল এটা উদ্দেশ্যৰ ফালৰ পৰা চায়। ৰাধাকৃষ্ণণৰ মতে শিক্ষাই মানুহক জ্ঞানা,

আত্ম নির্ভৰশীল আৰু জন. সেৱক হিচাবে গঢ়ি তোলা উচিত। আনক অধিনত ৰাখি নিজে স্বাধীন নাগৰিক হোৱাটো বাঞ্ছা নকৰে। যি শিক্ষাই প্ৰত্যেকজন লোকক নিজ দেশকে ভাল পাবলৈ শিকায় আৰু অন্য দেশৰো অনিষ্ট সাধন নকৰে তেনেকুৱা শিক্ষাহে দেশত প্ৰচলন হোৱা উচিত। শিক্ষাৰ উদ্দেশ্য তেনেকুৱা হোৱাটো প্ৰকৃত উচিত, আৰু ৰাধাকৃষ্ণণে এনেকুৱা ধৰণৰ শিক্ষা দিছে। সামান্য অৱস্থাৰ পৰাই ৰাধাকৃষ্ণণে আজি ইমান উন্নতি কৰিছে। ৰাধাকৃষ্ণণ ৰাজনীতিত, দাৰ্শনিক আৰু স্বদেশ প্ৰেমিক হিচাবে ডাঙৰ তাত সন্দেহ নাই কিন্তু কেবল ব্যক্তি হিচাবেও তেওঁক শ্ৰেষ্ঠ আসন দিব পাৰি। যি সকলৰ কাৰণে তেওঁ কিবা কৰিছে সেই সকলৰ তেওঁৰ ওচৰত কৃতজ্ঞ থাকিব।

পণ্ডিত মদনমোহন মালবা যেতিয়া একেবাৰে বুঢ়া হ'ল। আৰু কাশী হিন্দু বিশ্ববিদ্যালয়ৰ ভাইচ চেন্সেলাৰ ৰূপে কাম চলাবলৈ অক্ষম হৈ পৰিল তেতিয়া মালব্যজীয়ে ৰাধাকৃষ্ণণক মাতি নি উক্ত কামৰ ভাৰ দিয়ে। ৰাধাকৃষ্ণণে সেই কাম সুকলমে কিছুবছৰ চলাই নিজৰ সুখ্যাতি বঢ়ালে। তেওঁ স্বাধীন ভাৰতৰ গণপৰিষদৰ সদস্য হিচাবে নিৰ্ব্বাচিত হয়। তেওঁ গণপৰিষদত দিয়া বক্তৃতাই পৰিষ্কাৰকৈ বুজাই দিলে যে, তেওঁ ভাৰতৰ কাৰণে আজি কি কৰিছে আৰু কালি কি

PLEASE HANDLE THE BOOK CAREFULLY

কৰিব। পৃথিৱীৰ দ্বিতীয় মহাযুদ্ধৰ অৱসান হোৱাত সম্মিলিত জাতিবোৰে ইউনেস্ক নাম দি এটা সংঘ গঠন কৰিলে। ইয়াৰ উদ্দেশ্য শিক্ষা, বিজ্ঞান আৰু কৃষ্টিৰ ক্ষেত্ৰত পৃথিৱীৰ জাতি সমূহৰ মাজত সহযোগিতা স্থাপন কৰা। তাত তেওঁ ভাৰতৰ হকে প্ৰতিনিধিত্ব কৰে আৰু তাত থকা খ্যাতনামা প্ৰতিনিধি সকলৰ ভিতৰত তেওঁ এজন। স্বাধীন ভাৰতে তেওঁক মস্কোত ভাৰতীয় ৰাষ্ট্ৰদূত ৰূপে পঠায়। বৰ্ত্তমানে তেওঁ ৰুচিয়া আৰু ভাৰতৰ মাজত সৌহাৰ্দ্য ঘটাই নিজৰ কৰ্ত্তব্য শেষ কৰি ভাৰতলৈ উভতি আহিছে। বৰ্ত্তমান তেওঁ ভাৰতৰ উপৰাষ্ট্ৰপতি পদত নিৰ্ব্বাচিত হৈছে। মহাত্মাগান্ধীয়ে ভাৰতত যি ৰামৰাজ্য প্ৰতিষ্ঠা কৰাৰ সপোন দেখিছিল তাক বাস্তৱত পৰিণত কৰিবলৈ ৰাধাকৃষ্ণণে যি দৃঢ়সংকল্প কৰিছে সি অচিৰে কাৰ্য্যত পৰিণত হবলৈ ভাৰতবাসীয়ে কামনা কৰে।

সমাপ্ত

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.